# কাৰ্য্যকৰী সাৰাংশ

## ই.১ পটভূমি

অসমত কৃষি আৰু ইয়াৰ আনুষংগিক ক্ষেত্ৰসমূহৰ সৈতে গ্ৰাম্যাঞ্চলৰ অধিকাংশ জনসাধাৰণ জৰিত। কৃষি কাৰ্য্যৰ জৰিয়তে অসমত যথেষ্ট সংখ্যক লোকৰ কৰ্ম সংস্থাপন হোৱাৰ লগতে জীয়াই থকাৰ সম্বল বিচাৰি পাইছে। মুঠ জনসংখ্যাৰ ৭৫ শতাংশ লোকেই কৃষি কাৰ্য্যৰ জৰিয়তে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে নিয়োজিত আছে। আনহাতে ৫০ শতাংশ কৰ্মীবাহিনী কৃষিৰ সৈতে জৰিত। অলপতে সম্পূৰ্ণ হোৱা অসম কৃষি সামৰ্থবৰ্ধন প্ৰকল্প (এএচিপি)ৰ জৰিয়তে কৃষিৰ প্ৰবলতাৰ লগতে উৎপাদন ক্ষমতাও বৃদ্ধি হৈছিল। বিভিন্ন প্ৰকাৰৰ কৃষি কৰ্মৰ প্ৰতিও কৃষকসকল আকৰ্ষিত হৈছিল।

ইয়াৰ পৰিপ্ৰেক্ষিতত, অসম চৰকাৰে ভাৰত চৰকাৰৰ যোগেদি বিশ্ববেংকৰ ওচৰত ২০০ নিযুত মাৰ্কিন ডলাৰৰ ঋণৰ বাবে আবেদন জনাইছে। ইয়াৰ জৰিয়তে "অসমত কৃষি ব্যৱসায় আৰু গাঁও পৰিবৰ্তনৰ" (এপিএআৰটি) কাম কৰিব বিচৰা হৈছে। এই কাৰ্য্যসূচী বৰ্তমানলৈকে প্ৰাৰম্ভিক পৰ্য্যায়তহে আছে। কিন্তু এই প্ৰকল্পৰ মূল কাম কাজখিনি চিনাক্ত কৰা হৈছে। ইয়াত প্ৰধানকৈ চাৰিটা উপাদান থাকিব,

| | | |
|---|---|---|
| (i) | উপাদান (ক): | কৃষি উদ্যোগীৰ উন্নয়ন |
| (ii) | উপাদান (খ): | কৃষি বজাৰৰ আন্তঃগাঁঠনি উন্নয়ন |
| (iii) | উপাদান (গ): | বজাৰ উপযোগী উৎপাদন আৰু গুণগত উন্নয়ন |
| (iv) | উপাদান (ঘ): | প্ৰকল্প পৰিচালনা, সমাকৰণ (মনিটৰিং) আৰু জ্ঞান আহৰণ |

## ই.২ উপ প্ৰকল্পৰ সুবিধাসমূহ

কৃষি ব্যৱসায় আৰু গাঁও পৰিবৰ্তন প্ৰকল্পৰ উদ্দেশ্য

- কৃষি সামগ্ৰী গুণগতভাৱে উৎপাদন কৰা, কিছু কৃষি সামগ্ৰীৰ মান বিশেষ পদ্ধতিৰ সহায়ত বৃদ্ধি কৰা, ক্ষুদ্ৰ খেতিয়ক আৰু জিলাৰ উপান্ত কৃষক আৰু ক্ষুদ্ৰ উদ্যোগীক গুৰুত্ব প্ৰদান।
- উপান্ত, ক্ষুদ্ৰ, মজলীয়া খণ্ডৰ কৃষক আৰু উদ্যোগীক প্ৰকল্পৰ দ্বাৰা উপকৃত কৰা।
- ইয়াৰ বাহিৰেও কৃষক, উৎপাদন খণ্ডৰ সংগঠন জৰিত, মেনেজমেণ্ট কোম্পানীৰ লগতে গুনগত বৃদ্ধিৰ অৱদানকাৰীসকল।
- প্ৰস্তুতি ৰূপায়ন পৰ্য্যায়তো লিংগৰ সম অধিকাৰৰ বিষয়ত গুৰুত্ব প্ৰদান।


## ই.৩ প্ৰকল্পৰ স্থান

কৃষি খণ্ডৰ মুঠ ঘৰুৱা উৎপাদন আৰু উপান্ত, ক্ষুদ্ৰ, মজলীয়া উদ্যোগীৰ ভিত্তিত অসমৰ মুঠ ১৬ খন জিলাক এই প্ৰকল্পত সামৰিব খোজা হৈছে। সেই জিলাবোৰ তলত উল্লেখ কৰা ধৰণে শ্ৰেণীবদ্ধ কৰা হৈছে।

- কৃষি উৎপাদন আৰু উদ্যোগীৰ আন্তঃগাঁঠনি থকা (লক্ষীমপুৰ, গোলাঘাট, কাছাৰ, নগাঁও, শোণিতপুৰ, দৰং, বৰপেটা, কামৰূপ, কোকৰাঝাৰ আৰু ধুবুৰী)।
- জিলাত উদ্যোগীক ভেঁটি আছে, কিন্তু প্ৰাথমিকভাৱে কৃষি উৎপাদন কম (কাৰ্বি আংলং, গোৱালপাৰা)
- জিলাত কৃষি উৎপাদন আছে, কিন্তু উদ্যোগীক ভেঁটি দুৰ্বল (নলবাৰী, মৰিগাঁও, যোৰহাট আৰু শিৱসাগৰ)

## ই.৪ পৰিবেশ পৰিচালনা বিধিৰ প্ৰয়োজনীয়তা

অসম কৃষি ব্যৱসায় আৰু গাঁও পৰিৱৰ্তন (এপাৰ্ট) প্ৰকল্পত সৰু ডাঙৰ বিভিন্ন আন্তঃগাঁঠনিৰ প্ৰকল্প আছে। এনে প্ৰকল্প ৰূপায়ণ কৰোঁতে পৰিবেশ পৰিচালনা বিধিত বিয়োগাত্মক প্ৰভাৱ সৃষ্টি কৰিব পাৰে। পৰিবেশ সচেতন "অসম ৰুৰেল ইনফ্ৰাষ্ট্ৰাকচাৰ এণ্ড এগ্ৰিকালচাৰ চাৰ্ভিচ চছাইটিয়ে" সেয়ে আগতিয়াকৈ পৰিবেশ পৰিচালনাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহন কৰিব।




চিত্ৰ ১: এপাৰ্ট প্ৰকল্পৰ অঞ্চলসমূহ

এই পৰিবেশ পৰিচালনাৰ বিধি ইয়াৰ ভিত্তিত প্ৰস্তুত কৰা হৈছে। সেই অনুসৰি বিভিন্ন কাম-কাজ পৰিচালনা কৰা হব। উপ প্ৰকল্পত চিনাক্তকৰণ, নিৰীক্ষণ, শ্ৰেনী বিভাজন, পৰিবেশ মূল্যায়ন, প্ৰস্তুতি, ৰূপায়ণ, সমাকৰণ আৰু প্ৰকল্পৰ পৰিবেশ মূল্যায়নৰ পৰিকল্পনাই স্থান পাব। ফলত বিশ্ব বেংক আৰু চৰকাৰী নিয়মাৱলী নিৰ্ধাৰণ কৰিব পৰা যাব।

## ই.৫ প্ৰকল্পৰ শ্ৰেণী বিভাজন

প্ৰকল্পৰ লক্ষ্য অনুযায়ী, ইয়াৰ উপ-প্ৰকল্পৰ পৰিবেশ হস্তক্ষেপ বিশ্ব বেংকৰ মান অনুযায়ী "বি" শ্ৰেণীভুক্ত কৰা হৈছে। কিন্তু এৰিয়াচ চছাইটিৰ নিয়ম অনুযায়ী সকলো উপ-প্ৰকল্পৰ পৰিবেশ মূল্যায়ন ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ নিয়ম অনুসৰি কৰাৰ লগতে বিশ্ব বেংকৰ নীতিৰ আধাৰত হ'ব।

## ই.৬ পৰিবেশ সম্পৰ্কে দুআষাৰ

অসম এখন সুজলা সুফলা নদীমাতৃক ৰাজ্য। ই উত্তৰ-পূৱ ভাৰতৰ দুৱাৰদলি স্বৰূপ। ভৌগোলিকভাৱে ই ২২$^{\circ}$১৯' পৰা ২৮$^{\circ}$১৬' উত্তৰ অক্ষাংশৰ পৰা ৮৯$^{\circ}$৪২' পৰা ৯৬$^{\circ}$৩০' পূৱ দ্ৰাঘিমাংশলৈ অৱস্থিত। এই ৰাজ্য হিমালয়ৰ পূৱ ভাগ পাটকাই আৰু নগা পাহাৰৰ পাদদেশত অৱস্থিত। ৰাজ্যখনৰ মাটিকালি ৭৮,৪৩৮ বৰ্গ কিলোমিটাৰ আৰু ভৌগোলিক দৃষ্টিকোণৰ পৰা প্ৰধানতঃ তিনিটা ভাগত ভাগ কৰিব পাৰি। যেনে – ব্ৰহ্মপুত্ৰ উপত্যকা, বৰাক উপত্যকা আৰু মধ্য অসম পাৰ্বত্য অঞ্চল। ৰাজ্যখন প্ৰতিবছৰে এপ্ৰিলৰ পৰা অক্টোবৰ মাহলৈ দক্ষিণ পশ্চিম গ্ৰীষ্ম মণ্ডলীয় মৌচুমী বায়ুৰ সংস্পৰ্শলৈ আহে। বছৰি গড়ে ১৬০০ মিলিমিটাৰৰ পৰা ৪৩০০ মিলিমিটাৰ বৰষুণ হয়। এই বৰষুণৰ প্ৰকোপ জুন-জুলাই মাহত সৰ্বোচ্চ হয়। জাৰকালি তাপমাত্ৰ ৪$^{\circ}$ ৰ পৰা ১৯$^{\circ}$ চেণ্টিগ্ৰেডলৈ হয়। গৰমৰ সময়ত তাপমাত্ৰা ২৬$^{\circ}$ -৩৭$^{\circ}$ চেণ্টিগ্ৰেড হয়।

ৰাজ্যখনৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ আৰু বৰাক দুখন মূল নদী। দুয়োখন নদীৰে বহু উপনদী আছে। কম সময়ত বেছিকৈ বৰষুণৰ পানীৰে উপচি পৰা বাবে বানপানী সঘনাই হয়। অসম ৰাজ্যখন ভূতাত্বিকভাৱে প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ। হিমালয়ৰ আঁকুৰি ভাঁজত অৱস্থিত বাবেই প্ৰচণ্ড ভূতাত্বিক চাপৰ ফলত ইয়াৰ ভূমিভাগত বেছিভাগ গেদীয় শিল সৃষ্টি হয়। এই গেদীয় শিলত লোৰ চাৰি ধৰণৰ আকৰ (হেমেটাইট, মেগনেটাইট, লিমোনাইট আৰু চিডাৰাইট) পোৱা যায়। ইয়াৰ ভিতৰত হেমেটাইট আকৰৰ পৰিমাণ বেছি।

বিশ্বৰ ভিতৰতে অসম অন্যতম শ্ৰেষ্ঠ জৈৱ বৈচিত্ৰেৰে ভৰপূৰ ৰাজ্য। মুঠ মাটিকালিৰ ৩৫.৪৮ শতাংশ অঞ্চল হাবি বননিৰে ভৰা। ইয়াত বিষুবীয় বৰ্ষা অৰণ্য, পৰ্ণপাতী অৰণ্য, নদীযুক্ত ঘাঁহনি, বাঁহনি, কপৌজাতীয় গছেৰে পৰিপূৰ্ণ বননি আৰু জেকা ভূমি আছে। অসমত পাঁচখন ৰাষ্ট্ৰীয় অৰণ্য, যোল্লখন বনৰীয়া জীৱ-জন্তুৰ অভয়াৰণ্য আৰু তিনিখন চৰাইৰ অভয়াৰণ্য আছে।

২০১১ চনৰ লোকপিয়ল অনুসৰি অসমৰ মুঠ জনসংখ্যা ৩১.১৭ নিযুত। প্ৰতি বৰ্গ কিলোমিটাৰত বসতি ৩৯৬.৮ জন। সাক্ষৰতাৰ হাৰ ৭৩.১৪ শতাংশ। অসমৰ অৰ্থনীতি কৃষিভিত্তিক। মুঠ জনসংখ্যাৰ ৬৯ শতাংশ লোক কৃষি কাৰ্য্যৰ সৈতে জৰিত।

(i) **কৃষি:** ২০১৪-১৫ বৰ্ষত ৰাজ্যিক ঘৰুৱা উৎপাদনত ২০.৫ শতাংশ অৱদান কৃষি খণ্ডৰ পৰা আহিছিল। কৃষিৰ উৎপাদিত সামগ্ৰীৰ ভিতৰত বিভিন্ন জাতৰ ধান, চাহপাত, মৰাপাট, সৰিয়হ, মাহ, কুঁহিয়াৰ, আলু, কমলা, মাটিকঁঠাল, নাৰিকল, তামোল, জালুক, বিভিন্ন জাতৰ নেমু, বেঙেনা, অমিতা, হালধি, মচলা, ফুল, ঔষধি আৰু সুগন্ধি গছৰ লগতে বিভিন্ন ধৰণৰ শাক-পাঁচলি।

(ii) **মাছ:** অসমত ৩.৯১ লাখ হেক্টৰ ভূমি জলাশয়েৰে ভৰা। এই জলাশয় সমূহৰ ভিতৰত নদী, বিল, পুখুৰী ইত্যাদি। বৰ্তমানে ৰাজ্যত মাছ উৎপাদনত বহুলোক আকৰ্ষিত হৈছে। মৎস্য খণ্ডত বাৰ্ষিক উন্নয়ন বিগত বছৰৰ ৪.০৮ শতাংশৰ তুলনাত ২০১৪-১৫ চনত ৬.৬৯ শতাংশ বৃদ্ধি হৈছে।

(iii) **পশুপালন আৰু হাঁহ-কুকুৰা:**২০১৩-১৪ চনত ৰাজ্যৰ পশুপালন আৰু পশু চিকিৎসা বিভাগে প্ৰকাশ কৰা তথ্যমতে যোৱা বছৰতকৈ ৰাজ্যত থলুৱা গৰু- ছাগলীৰ সংখ্যা ৩.৭ শতাংশ কমিছে। আনহাতে উন্নত জাতৰ গৰু আৰু ছাগলীৰ সংখ্যা ৩.০ শতাংশ আৰু ৩.২ শতাংশ ২০১৩-১৪ চনত ২০১২-১৩ চনতকৈ বৃদ্ধি হৈছে। জৰীপ অনুসৰি কুকুৰাৰ বৃদ্ধি সামান্য হৈছে যদিও হাঁহৰ ৪.০ শতাংশ এই একে সময়ত বৃদ্ধি হৈছে।

(iv) **উদ্যোগ:** ৰাজ্যত ক্ষুদ্ৰ উদ্যোগতেই প্ৰধানকৈ উদ্যোগিক কাম-কাজ ৰূপায়ণ হয়। এই খণ্ডতেই উৎপাদন আৰু প্ৰচেচিং উদ্যোগৰ কৰ্ম সংস্থাপন হৈছে। বিশ্ব অৰ্থনীতিত অসমৰ চাহপাতে বিশেষ সন্মান আহৰণ কৰিছে। দেশৰ মুঠ উৎপাদিত চাহৰ ভিতৰত ৫০ শতাংশই অসমত উৎপাদিত হয়। ৰাজ্যৰ কৃষি পৰিবেশে শেহতীয়াকৈ ৰবৰ উদ্যোগত যথেষ্ট নিবনুৱা সংস্থাপিত হৈছে। অসমত বাঁহগছৰ প্ৰচুৰ উৎপাদনে কাগজ উৎপাদনত সহায়ক হৈছে। ৰাজ্যখনত বাঁহগছৰ পৰিমাণ দেশৰ ভিতৰতেই বৃহৎ। দেশীয় উৎপাদনৰ প্ৰায় ৬০ শতাংশ বাঁহ অসমত উৎপাদিত হয়। ৰেচম উদ্যোগে কুটিৰ শিল্প হিচাবে ৰাজ্যত বিশেষ অৰিহনা যোগাইছে। ১০,৫০০ খনৰ অধিক গাঁৱত বসবাস কৰা ২.৬ লাখ পৰিয়ালে ৰেচম শিল্পৰ জৰিয়তে সংস্থাপিত হৈছে। অসমৰ পাটমুগা বিশ্বৰ ভিতৰতেই আদৰণীয়। বৰ্তমানে মুগাই ভৌগোলিক ট্ৰেডমাৰ্ক অৰ্জন কৰিছে।

## ই.৭ পৰিবেশ সংৰক্ষণৰ পৰিকল্পনা

উপযুক্ত প্ৰশাসনিক ব্যৱস্থা, সমাকৰণৰ (মনিটৰিঙৰ) জৰিয়তে প্ৰকল্প পৰিবেশৰ ভাৰসাম্য বজাই ৰাখিবলৈ পৰিবেশ সংৰক্ষণৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ ফলত পৰিবেশ সংৰক্ষণত সুচল হব। পৰিবেশ সংৰক্ষণৰ পৰিকল্পনাত সহজ কাৰ্য্যকৰী মূল্য নিৰ্ধাৰণ কৰা হৈছে। ফলত পৰিবেশ বিনষ্ট নহব আৰু সকলোৰে গ্ৰহনীয় হব। বিশেষ উল্লেখযোগ্য ব্যৱস্থাৱলী হৈছে –

(i) সম্ভাব্য বিপদ ঘটাব পৰা কাৰকৰ চিনাক্তকৰণ (ইয়াত খিলঞ্জীয়া লোককো সামৰি লোৱা হৈছে। প্ৰয়োজনত পুনৰ বসতি ব্যৱস্থাও ইয়াৰ থাকিব)।

(ii) ইয়াত বিতংকৈ সকলো প্ৰতিৰোধ ব্যৱস্থা সামৰিব। একেৰাহে অথবা হঠাতে হোৱা কৰ্ম ব্যৱস্থাও থাকিব। পৰিবেশত প্ৰভাৱ পেলাব পৰা মূল্যমান নিৰূপন কৰিব।

(iii) প্ৰতিৰোধ ব্যৱস্থাৰ সংগতি ৰাখি খিলঞ্জীয়া পুনৰ সংস্থাপন, সংস্কৃতিক সংৰক্ষণৰ ব্যৱস্থাও কৰিব।

## ই.৮ সংহত কীট তদাৰকী ব্যৱস্থাপনা

এই ব্যৱস্থাৰ যোগেদি প্ৰকল্পত এগ্ৰ' কেমিকেলৰ সুপ্ৰয়োগ সম্পৰ্কত ব্যৱস্থাৱলী গ্ৰহন কৰা হব। উপযুক্ত কীট নাশক ব্যৱহাৰ কৰি কেনেকৈ উৎপাদন বৃদ্ধি কৰিব পাৰি সেই বিষয়ত তদাৰক কৰা হব। লগতে স্বাস্থ্যসন্মত কীট নাশকে আমাক কেনেকৈ সহায় কৰে সেই বিষয়েও ভূ পোৱা যাব।

## ই.৯ পৰ্য্যবেক্ষণ আৰু সমাকৰণ (মনিটৰিং)

প্ৰকল্পৰ দক্ষতা বৃদ্ধিৰ বাবে পৰ্য্যবেক্ষণ, সমাকৰণ, আৰু হিচাব নিৰীক্ষণৰ ব্যৱস্থা কৰা হব। মূল্যায়নৰ সুচকসমূহো নিৰ্ধাৰণ কৰিলে উপ-প্ৰকল্প বৰ্তাই ৰখাত সহায়ক হব। সময়ে সময়ে পৰ্য্যবেক্ষণ, সমাকৰণ আৰু হিচাব নিৰীক্ষণে প্ৰকল্পৰ দক্ষতা বৃদ্ধি কৰিব।

## ই.১০ প্ৰকল্প ৰূপায়ণৰ অনুষ্ঠানসমূহ

প্ৰকল্প সমন্বয়ক সমিতিয়ে প্ৰকল্প ৰূপায়ণ কৰিব। ইয়াৰ মূল দায়িত্বত ৰাজ্যিক প্ৰকল্প সঞ্চালক (ARIAS চছাইটি) থাকিব। প্ৰকল্প পৰিচালনাত এগৰাকী জ্যেষ্ঠ অভিজ্ঞ পৰিবেশ বিশেষজ্ঞ থাকিব। তেখেতৰ তত্বাবধানতেই পৰিবেশ সংৰক্ষণৰ কামকাজ পৰিচালিত হ্ব।

প্ৰতিটো উপ প্ৰকল্পত একোগৰাকী ৰাজ্যিক প্ৰকল্প সমন্বয়ক থাকিব। ইয়াৰ একোটা সমিতি/চেল থাকিব। ই সকলো নীতি নিৰ্দেশনা প্ৰস্তুত কৰিব। এই সকলোখিনিৰ ৰূপায়ণত জিলাভিত্তিক প্ৰকল্প বিষয়া থাকিব। তেখেতৰ লগতো একোটা সমিতি/চেলে কাম কৰিব। এই জিলা কোষৰ তত্বাবধানত সমূহীয়া সেৱা কেন্দ্ৰ সমূহ (কমন চাৰ্ভিচ চেণ্টাৰ), বজাৰ, গাঁৱলীয়া হাট, ৱেৰহাউচ আৰু পথৰ দায়িত্ব থাকিব।